**আফকেজ টেন উপন্যালত অনুবাদকৰ অনুবাদকৰ দক্ষতাঃ**

নিন্‌কে ভান হিখ্‌টুমে ডাচ্চ ভাষাত লিখা *‘আফ্‌কে’জ টিয়েণ্টেল’* নামৰ উপন্যাসখন *‘আফ্‌কে’জ টে’ন’* নাম দি মেৰী কিয়েৰ্ষ্টেড্‌ পিজ্জনে ইংৰাজীলৈ অনুবাদ কৰে।পৃথিৱীৰ বিভিন্ন ভাষালৈ অনুদিত এই উপন্যাসখন ইংৰাজী ভাষাৰ পৰা *‘আফ্‌কে’জ টে’ন’* নাম দি অসমীয়ালৈ অনুবাদ কৰে বিশিষ্ট সাহিত্যিক মহেন্দ্ৰ বৰাদেৱে।

অনুবাদ হৈছে এটা ভাষাত থকা কোনো ভাৱ বা বিষয় অন্য এটা ভাষালৈ নিয়া। সৃষ্টিশীল সাহিত্য অনুবাদৰ ক্ষেত্ৰত ভাৱ বা অনুভূতি চিনাক্ত কৰি লোৱাটো অধিক দৰকাৰী কথা, তেতিয়াহে বিষয় বুজি পোৱাত সহজ হয়। অনুবাদকে ভাৱ, অনুভৱ, আবেগ, তথ্য, যুক্তি, সিদ্ধান্ত, চৰিত্ৰ আদি এটা ভাষাৰ পৰা আন এটা ভাষালৈ নিওঁতে মূল ভাষাটোত ব্যৱহৃত শব্দৰ সমাৰ্থক অৰ্থাৎ একে অৰ্থ প্ৰকাশ কৰিব পৰা শব্দ বাচি লৈ কৰা অনুবাদ কৰ্ম সফল হয়। উৎস আৰু লক্ষ্য দুয়োটা ভাষাৰ সামাজিক আৰু সাংস্কৃতিক পটভূমিৰ লগত অনুবাদকৰ সম্যক জ্ঞান থাকিলে অনুদিত কৰ্ম সাৰ্থক হয়। কেতিয়াবা উৎস ভাষাৰ বিষয়ৰ মূল ভাৱটো গ্ৰহণ কৰি সেই বিষয়ক লক্ষ্য ভাষাৰ সামাজিক আৰু সাংস্কৃতিক পৰিবেশৰ লগত সম্পূৰ্ণ একীভূত কৰি অনুবাদ কৰা হয়। আটাইতকৈ সাৰ্থক অনুবাদ হৈছে ভাবানুবাদ। এই ক্ষেত্ৰত উৎস ভাষাৰ বিষয়বস্তুৰ বৰ্হিপৰিচয় ৰক্ষা কৰি অনুবাদ কৰা হয় আৰু উৎস ভাষাৰ সামাজিক-সাংস্কৃতিক পটভূমি ত্যাগ কৰি লক্ষ্য ভাষাৰ সামাজিক-সাংস্কৃতিক পটভূমিত বিষয়টো পাঠকৰ বাবে অধিক আত্মীয় কৰি তোলা হয়। এনে অনুবাদৰ লগত লক্ষ্য ভাষাৰ জতুৱা ৰূপলৈ ভাষান্তৰিত কৰা বিষয়ো জড়িত হৈ আছে। ওপৰত উল্লিখিত সকলোবোৰ দিশক প্ৰয়োগ কৰিব পাৰিলে অনুবাদ কৰ্ম সফল তথা মৌলিক ৰচনাৰ দৰে হয়। ‘আফকে্জ টেন’ উপন্যাসখন অনুবাদৰ ক্ষেত্ৰত এই সকলোবোৰ দিশৰ সমাহাৰ ঘটিছে - যাৰবাবে ইয়াত বৰ্ণিত প্ৰতিটো ঘটনা আমাৰ পৰিবেশৰ লগত খাপ খাই পৰিছে। ব্যক্তি বা বিষয়ৰ নামৰ দৰে বৰ্হিপৰিচয়জ্ঞাপনৰ ক্ষেত্ৰত মূল ৰূপৰ সলনি কৰা নাই। অৱশ্যে বৰফাবৃত পৰিবেশ বৰ্ণনা বিষয়ত অনুবাদকে অসমীয়া সমাজৰ পৰিৱেশৰ লগত একাত্ম ৰক্ষা কৰিব নোৱাৰা বুলি ক’ব লাগিব। ইয়াৰ বাহিৰে গ্ৰাম্য ভাষা, ভাষাৰ জতুৱা প্ৰয়োগ, খণ্ডবাক্য, সামাজি-সাংস্কৃতিক পৰিৱেশ অনুযায়ী উপযুক্ত ভাষাৰ প্ৰয়োগ, চিত্ৰধৰ্মী বৰ্ণনা, প্ৰাকৃতিক পৰিবেশৰ অসমীয়াকৰণ, লোকবিশ্বাস, গ্ৰাম্য পৰিৱেশ আদি বৰ্ণনাৰ ক্ষেত্ৰত অসমৰ পৰিৱেশক প্ৰকাশ কৰিবলৈ গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। তলত এই বিষয়ে আলোচনা কৰা হ’ল।

**গ্ৰাম্য ভাষা ঃ**

উপন্যাসৰ পটভূমি গ্ৰাম্য সমাজ হোৱা বাবে অনুবাদকে গ্ৰাম্য শব্দৰ অধিক প্ৰয়োগ কৰি উপন্যাসখন ৰসোত্তীৰ্ণ কৰি তুলিছে। উদাহৰণ স্বৰূপে নীলচীয়া ৰঙ, সলিসিয়ান, শনাহী, পেটাৰী, থপিয়াথপি, কঁৰীয়া, অপুদঘতীয়া, নেফানেফ, বনৰী, গদহা, মিতিনী, মৰতী, জোঁট-পোট, ফিচফিচিয়া, পঁঘাখাতী, কুহুলিয়া, লগী,বৰশী ডাঁৰ, বৰশী বটীয়া, আঁৰিকাটি, কেচেমা-কেচেম, লাঢ়নি, কপ্‌কপীয়া, খমখমীয়া, গোল-চানেকীয়া, নোদোকা, লাহুদাং আদি।

**জতুৱা ঠাঁচঃ**

জতুৰা ঠাঁচ আৰু খণ্ডবাক্যৰ প্ৰয়োগে বৰ্ণনীয় বিষয়ক পাঠকৰ অধিক ওচৰ চপাই নিয়ে। ‘আফ্‌কেজ টেন’ত প্ৰয়োগ কৰা এনে কিছুমান জতুৰা ঠাঁচ আৰু খণ্ডবাক্যৰ উদাহৰণ হৈছে - ওপচ খাই, সেঙেটা লগা, দবৰাদবৰি লগা, জেউৰ ধৰা, কতপা দি ধৰা (নেৰানেপেৰা অৰ্থত), চিত-ভোলোঙা খাই পৰা, ভেলেঙা লাগি চোৱা, সুৰাগুৰি তোলা, বেঙা মেলা, দবনি পিটি খোৱা, লুঠুৰি পিঠা সোৰোপ সোৰোপকৈ খোৱা, আদি।

**খণ্ডবাক্যঃ**

বাঘৰ আগতেল খোৱা, বাঘৰ গঁৰালত হাত সুমুৱা, বাঘৰ নেগুৰেৰে কাণ খজুৱা, পৰুৱাৰ পাখি গজা,পানী-গামোচা, শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে, কেচুঁতে শগুণ শালিকীয়ে খুটিয়াবলৈ একোৱেই নাই।(পৃ- ১৮) আদি।

**উপমাঃ**

উপন্যাসখনত প্ৰয়োগ কৰা উপমাবোৰ অসমীয়া সমাজ আৰু সংস্কৃতিৰ লগত জড়িত। এই ধৰণৰ উপমাৰ প্ৰয়োগে বৰ্ণণীয় বিষয়ক অধিক ৰমণীয়, আকৰ্ষণীয় আৰু সহজবোধগম্য কৰি তুলিছে। যেনে-

ক) সদ্যজাত কেঁচুৱাৰ হাতৰ আঙুলিবোৰ বৰ্ণনাৰ ক্ষেত্ৰত -'যেনিবা সেইকেইটা একেটা জোঁটাতে লাগি থকা কেইছিৰামান কেঁচা উৰহীহে।'(পৃ- ৮)

খ) 'নেওঠনীত ধুনিথকা কপাহৰ জোলাবোৰৰ লেখীয়াকৈ চাৰিওপিনে বৰফৰ পাহিবোৰ উৰি উৰি ঘাঁহনিডৰাত পৰিছেহি।' (পৃ- ৮)

গ) 'আফ্‌কেৰ কাণত সেই কথাবোৰ শ-শ কুমাৰণী-বৰলৰ ভোনভোননিৰ দৰে ভোনভোনাবলৈ ধৰিলে।' (পৃ- ৬৭)।

ঘ) 'নাওখন যেতিয়া তেজ- কদমত চেকুৰি যোৱা ঘোঁৰা এটাৰ দৰে আগবাঢ়িবলৈ ধৰিলে . . . ' (পৃ- ৮৫)

ঙ) 'গোটেইবোৰকে গুৰি পৰুৱাৰ লানি যেন লাগিছিল। তেনেই আগতে গৈছিল টোকা-পৰুৱাটোৰ লেখিয়াকৈ বাপেক মাৰ্টিন . . .।' (পৃ- ১১৪)

চ) 'সুতুলি পিঠাৰ লেখীয়াকৈ মাজত গুৰ আৰু মাখনৰ লেও দিয়া' (পৃ- ১৩) আদি।

**লোকবিশ্বাসঃ**

অসমীয়া সমাজত পৰম্পৰাগতভাৱে প্ৰচলিত কিছুমান লোকবিশ্বাস অনুবাদকে উপযুক্তভৱে খাপ-খুৱাই প্ৰয়োগ কৰিছে। যেনে -

ক) 'মাকৰ মুখ লাগিলে, তাৰ মুখলগা ভাঙিবলৈকে টান হ'ব ।'(পৃ- ৮)

খ) 'ফুটুকা তলতে যখিনী ছোৱালী টুক্‌টুক্‌চাপৰি বায়।'(পৃ- ৮৫) আদি।

**চিত্ৰধৰ্মী বৰ্ণনাঃ-**

উপন্যাসখনত বৰ্ণনা কৰা কিছুমান ঘটনা আৰু পৰিবেশ এনে চিত্ৰধৰ্মী হৈছে যাৰ বাবে উপন্যাসখন পঢ়ি গ'লে ঘটনাবোৰ মনচক্ষুত ভাঁহি উঠে। ইয়াত অনুবাদকৰ অসামান্য দক্ষতা প্ৰকাশ পাইছে। যেনে -

ক) 'চটিজোতাযোৰ সোলোকাই সেঙেটা লাগি অহা ভৰিৰ পতা দুখন ছাপ্‌কে'ই জুহালৰ পিনে মেলি ধৰিলে।' (পৃ- ৮)।

খ) ' . . . দুয়োজনীয়ে ইজনী-সিজনীকৈ কেঁচুৱাটোৰ তুলতুলীয়া গাল দুখনত লাহেকৈ আঙুলিৰে ঠোকোনাই ৰং চালে। সিঁহতৰ চেঁচা আঙুলিৰ পৰশ পাই সি যেতিয়া টোপনিতে নিহালিখনৰ পৰা কণমান হাতখন উলিয়াই খকৰা-মুকুটি যাচি দেখুৱালে, তেতিয়া সিঁহতৰ বাৰুকৈ ফুৰ্তি লাগিল।' (পৃ- ১৩)।

এইবোৰৰ উপৰিও অষ্টম অধ্যায়ত বৰবিলত নাও চলাবলৈ যোৱা ঘটনাত যি প্ৰাকৃতিক পৰিবেশৰ বৰ্ণনাত চৰাই-চিৰিকতি, গছ-গছনি আদিত ঔপন্যাসিকে স্থানীয় নাম ব্যৱহাৰ কৰিছে। যেনে- দলম'ৰা, বিৰিণা, পানীকাউৰী, শৰালি আদি। এইধৰণৰ স্থানীয় নামৰ ব্যৱহাৰে উপন্যাসখনৰ কাহিনীৰ লগত অসমীয়া সমাজৰ লগত খাপখুৱাই তুলিছে।